समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ বাবে

প্ৰথম ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ–১২

লোকসংস্কৃতি



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

অংশ - ৩
ড° প্ৰণীতা শৰ্মা বৰদলৈ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১। তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখা—

(ক) লোককৃষ্টিৰ সাধাৰণ উত্তৰণক কি বোলা হয়?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১। তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখা—

(ক) লোককৃষ্টিৰ সাধাৰণ উত্তৰণক কি বোলা হয়?

উত্তৰঃ লোককৃষ্টিৰ সাধাৰণ উত্তৰণক লোকসংস্কৃতি বোলা হয়।

(খ) লোকসমাজত কোন সময়ৰ কথাৰ অধিক সমাদৰ?



(খ) লোকসমাজত কোন সময়ৰ কথাৰ অধিক সমাদৰ?

উত্তৰঃ লোকসমাজত পুৰণি দিনৰ কথাৰ অধিক সমাদৰ।

(গ) লোককৃষ্টি কাক বোলা হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(গ) লোককৃষ্টি কাক বোলা হয়?

উত্তৰঃ গঞা সমাজে নিজৰ বিভিন্ন কর্মৰ মাজতে ঋতু, মাহ,পষেক অনুসৰি বিবিধ উৎসৱ - সভা আদিৰ সম্পাদন কৰে । সেই সভা- উৎসৱত গীত-নাচ, অভিনয় কৰা হয় । এই কামবোৰৰ সমষ্টিকে লোককৃষ্টি বোলে।

(ঘ) লোকসংস্কৃতিৰ দৃশ্যমান দিশক কি বোলা হয়?



(ঘ) লোকসংস্কৃতিৰ দৃশ্যমান দিশক কি বোলা হয়?

উত্তৰঃ লোকসংস্কৃতিৰ দৃশ্যমান দিশক ভৌতিক বা বস্তুসংস্কৃতি বোলা হয়।

(ঙ) পাঠত উল্লিখিত লক্ষ্মীনাথ বেজবৰুৱাই সম্পাদনা কৰা সাধুকথাৰ পুথিখনৰ নাম কি?




(ঙ) পাঠত উল্লিখিত লক্ষ্মীনাথ বেজবৰুৱাই সম্পাদনা কৰা সাধুকথাৰ পুথিখনৰ নাম কি?

উত্তৰঃ লক্ষ্মীনাথ বেজবৰুৱাই সম্পাদনা কৰা সাধুকথাৰ পুথিখনৰ নাম হ'ল বুঢ়ী আইৰ সাধু।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২। লোকসমাজ সম্পর্কে কিছুমান লোকতত্ত্ববিদে দিয়া কি ধাৰণা গ্ৰহণ কৰিব নোৱাৰি বুলি লিখকে কৈছে? এই ধাৰণা গ্ৰহণ কৰিব নোৱাৰাৰ কাৰণ কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। লোকসমাজ সম্পর্কে কিছুমান লোকতত্ত্ববিদে দিয়া কি ধাৰণা গ্ৰহণ কৰিব নোৱাৰি বুলি লিখকে কৈছে? এই ধাৰণা গ্ৰহণ কৰিব নোৱাৰাৰ কাৰণ কি?

উত্তৰঃ লোকসমাজক কোনো কোনো লোকতত্ত্ববিদে সমাজৰ নিম্নস্তৰৰ বুলি ক'ব খোজে। এনে ধাৰণা গ্ৰহণ কৰিব নোৱাৰি । এই ধাৰণা গ্ৰহণ কৰিব নোৱাৰাৰ কাৰণ হ'ল বিজ্ঞানসম্মত দৃষ্টিভংগী হ'লেই যে কোনো এখন

সমাজ উচ্চতৰ হ'ব আৰু তাৰ বিপৰীতে লোক বা গঞাসমাজ নিম্নতৰ হ'ব লাগিব তেনে কোনো কথা নাই।লোকসমাজৰ অংগীভূত মানুহে প্ৰায়ে গাঁৱে-ভূঞে বাস কৰে আৰু অভিজাত শ্ৰেণীৰ লোকসকল নগৰ-চহৰ আদিত বাস কৰে এই ধাৰণা সদা-সৰ্বদাই গ্ৰহণযোগ্য হ'ব নোৱাৰে । কাৰণ গাঁৱতো শিক্ষিত মানুহে বাস কৰে ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৩। চমু টোকা লিখা —

নিচুকনী গীত,



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। চমু টোকা লিখা —

নিচুকনী গীত,

উত্তৰঃ নিচুকনী গীতসমূহ অসমীয়া লোক-সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। অতীজৰে পৰা এই গীতসমূহে অসমৰ জন-জীৱনত এক প্রভাৱ পেলাই আহিছে। সাধাৰণতে কেঁচুৱাক নিচুকাবলৈ বা টোপনি নিয়াবলৈ এই গীতসমূহৰ ব্যৱহাৰ কৰা হৈছিল বাবে ইয়াক নিচুকনী গীত বোলা হয়।

অসমীয়া সমাজত বহুলভাৱে প্ৰচলিত কেইটামান নিচুকনী গীত হ'ল 'শিয়ালী এ নাহিবি ৰাতি' , ' আমাৰে মইনা শুব এ ' আদি ।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

মালিতা বা কাহিনী গীত,



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

মালিতা বা কাহিনী গীত,

উত্তৰঃ মালিতা বা কাহিনী গীতও অসমীয়া লোক-সংস্কৃতিৰ আন এক অবিচ্ছেদ্য অংগ। মালিতা বা কাহিনী গীত সমূহৰ মাজেদি যিকোনো এটা কাহিনী বা কথাৰ অৱতাৰণা কৰা হয় আৰু সুৰ লগাই পদ্য হিচাপেই সেই কাহিনীৰ শেষ কৰা হয়। শুনিবলৈ ৰস লগা আৰু শুৱলা হোৱাৰ বাবে মালিতা বা কাহিনী গীতসমূহ আমাৰ আদৰৰ আপুৰুগীয়া সম্পদ হৈ আছে।

অসমীয়া সাহিত্যত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই "ধনবৰ আৰু ৰতনী"ৰ দৰে মালিতা ৰচনা কৰে। চন্দ্রকুমাৰ আগৰৱালাৰ দ্বাৰা ৰচিত মালিতা "জলকুঁৱৰী", আনন্দচন্দ্র আগৰৱালাৰ দ্বাৰা ৰচিত "পানেশৈ" ইত্যাদি মালিতাও উল্লেখযোগ্য। যেনে :

"পাৰতে কান্দিছে ধনবৰ দুখীয়া, ৰতনী লগতে নাই" ।

(ধনবৰ আৰু ৰতনী - লক্ষ্মীনাথ বেজবৰুৱা)

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সাঁথৰ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

সাঁথৰ

উত্তৰঃ মূলতঃ মানুহৰ মুখে মুখে চলি অহা প্ৰবাদ সমূহকেই সাঁথৰ বোলা হয়। ই কেৱল অসমীয়া লোক- সংস্কৃতিৰ একক বৈশিষ্ট্য, আন কোনো সংস্কৃতিত ইয়াৰ ব্যৱহাৰ পাবলৈ নাই। ধেমালি আৰু ৰসৰ চলেৰে বুদ্ধিমত্তা পৰীক্ষা কৰা আৰু বৃদ্ধি কৰাৰ কৌশল হিচাপে এই সাঁথৰ সমূহ অসম বিখ্যাত ।

উদাহৰণ –

দুই ভাই-ককাই,

ফুৰে বেলেগে বেলেগে,

এটি শুলে আনটি জাগে

দেখা-দেখি নহয় কোনো কালে

উত্তৰঃ চন্দ্ৰ আৰু সূৰ্য

ঘৰৰ ওপৰত ঘৰ, তাতে পৰি মৰ

উত্তৰঃ আঁঠুৰা

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

জনশ্রুতি,



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জনশ্রুতি,

উত্তৰঃ মানুহৰ মুখে মুখে যুগৰ পিছত যুগ ধৰি প্রচলিত হৈ অহা শ্লোক বা প্রবাদ সমূহক জনশ্রুতি বোলা হয়। ই গদ্যধর্মী লোককথাৰ অন্তর্গত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জিকিৰ,



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জিকিৰ,

উত্তৰঃ জিকিৰ সমূহ অসমীয়া সাহিত্যৰ অমূল্য সম্পদ । আজান পীৰে ৰচনা কৰা গীতসমূহক জিকিৰ বোলা হয় । ধর্ম প্রচাৰ আৰু প্রসাৰৰ উদ্দেশ্য এই গীতসমূহ ৰচনা কৰা হৈছিল । এই গীতসমূহত সম্প্রীতিৰ নিদর্শন পোৱা যায় । যেনে: মোৰ মনত ভেদ ভাব নাই ও আল্লা
মোৰ মনত হীন পৰ নাই ও আল্লা
হিন্দু কি মুছলমান একে আল্লাৰ সন্তান
মোৰ মনত একেটি ভাব

দেহবিচাৰৰ গীত,



দেহবিচাৰৰ গীত,

উত্তৰঃ অসমীয়া সমাজত প্রচলিত আধ্যাত্মিক ভাবযুক্ত তত্ত্বগধুৰ লোকগীতৰ শ্রেণী। সাধাৰণতে বৃদ্ধ, ভকত, বৈৰাগী, সন্ন্যাসী, মগনীয়া আদিয়ে দেহ বিচাৰ গীত গায়। সংসাৰৰ মায়া-মোহ, জ্বালা-যন্ত্রণা, বেদনা আদিৰ পৰা হাত সাৰিবলৈ অথবা মুক্তি পাবলৈ সাধকসকলে মনৰ বৈৰাগ্য ভাব এই গীতত প্রকাশ পায়। উদাহৰণ – "ভৱনদী পাৰ কৰি দিয়া হে নাৰায়ণ"

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

হুঁচৰি গীত।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

হুঁচৰি গীত।

উত্তৰঃ হুঁচৰি গীত অসমীয়াৰ অন্যতম আপুৰুগীয়া সম্পদ যাৰ লগত জড়িত হৈ আছে অসম তথা অসমীয়াৰ আৱেগ আৰু সন্মান । হুঁচৰি বিশেষকৈ ব'হাগ বিহুৰ লগত জড়িত । আঁহতৰ তলত বা পথাৰৰ মাজত নৃত্য কৰোঁতে ডেকা-গাভৰু সকলে হুঁচৰি গীতৰ তালত কঁকাল ভাঙে । হুঁচৰি পৰিৱেশন কৰাৰ কেতবোৰ নিয়ম-নীতি থাকে ।

উদাহৰণ:

“দেউতাৰ পদূলিত গোন্ধাইছে মালতী
কেতেকী মলেমলায় ঐ গোৰিন্দাই ৰাম”

“হুচৰি এ চ'ত
আমি বিহু মাৰো য'ত
দেহি ঐ দুবৰি নগজে ত'ত”।।